# NSD NEWS UNIT
# AKASHVANI, GUWAHATI
0000000000

**Date :** 03-04-2024
**Time :** 19-10 Hrs.

**Assamese Evening Bulletin**
**HEADLINES**
**::::::::::::::::::::::::::::::::::::::**

১। নিৰ্বাচন আয়োগে অবৈধ সুৰা, নগদ ধন, মাদক দ্ৰব্য আদিৰ সৰবৰাহ বন্ধ কৰাৰ বাবে আন্তঃৰাজ্যিক আৰু আন্তঃৰাষ্ট্ৰীয় সীমান্তসমূহত চোকা নজৰ ৰাখিবলৈ সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ মুখ্য সচিব আৰু আৰক্ষী সঞ্চালক প্ৰধানসকলক নিৰ্দেশ দিছে।

২। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, বিজেপি কৰ্মকৰ্তাসকলৰ উৎসাহ দেখি বিৰোধী পক্ষৰ নেতাসকল নিৰাশাত ভুগিছে।

৩। চৰকাৰে একাংশ সংবাদ মাধ্যমযোগে ঔষধৰ মূল্য ভালেখিনি বৃদ্ধি পোৱা বুলি প্ৰচাৰিত বাতৰি ভূৱা আৰু বিভ্ৰান্তিকৰ বুলি অভিহিত কৰিছে।

৪। গ্ৰীষ্মকালত গৰমৰ প্ৰকোপৰ পৰা হব পৰা ৰোগৰ ব্যৱস্থাপনাৰ প্ৰস্তুতিৰ পৰ্যালোচনা চলোৱাৰ উদ্দেশ্যে কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াৰ অধ্যক্ষতাত আজি এখন বৈঠক অনুষ্ঠিত হয়। *আৰু*

৫। ডেলহি কেপিটেলছ কিছুসময়ৰ পাছত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০

নিৰ্বাচন আয়োগে অবৈধ সুৰা, নগদ ধন, মাদক দ্ৰব্য, অস্ত্ৰ শস্ত্ৰ আৰু উপঢৌকনৰ সৰবৰাহ বন্ধ কৰাৰ বাবে আন্তঃৰাজ্যিক আৰু আন্তঃৰাষ্ট্ৰীয় সীমান্তসমূহত চোকা নজৰ ৰাখিবলৈ সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ মুখ্য সচিব আৰু আৰক্ষী সঞ্চালক প্ৰধানসকলক নিৰ্দেশ দিছে। আয়োগে লগতে তেওঁলোকক শান্তিপূৰ্ণ আৰু প্ৰলোভনমুক্ত নিৰ্বাচন সুনিশ্চিত কৰিবলৈও নিৰ্দেশ দিয়ে। নিৰ্বাচন আয়োগে আজি নতুন দিল্লীত আইন শৃংখলা পৰিস্থিতিৰ পৰ্যালোচনা আৰু মূল্যায়নৰ অৰ্থে ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ সৈতে এখন বৈঠকত মিলিত হয়। আয়োগে এটা বিবৃতিযোগে কৈছে যে সীমান্তত পহৰাৰত কেন্দ্ৰীয় সংস্থাসমূহৰ বিষয়ববীয়াসকলৰ মাজত বাধাৰহিত সমন্বয় আৰু সহযোগিতাৰ বাবে সংশ্লিষ্ট সকলো পক্ষক একগোট কৰাই এই যৌথ পৰ্যালোচনা বৈঠকৰ

মূল্য উদ্দেশ্য। মুখ্য নিৰ্বাচন আয়ুক্ত ৰাজীৱ কুমাৰে নিৰ্বাচন আয়ুক্তদ্বয় জ্ঞানেশ কুমাৰ আৰু সুখবীৰ সিং সান্ধুৰ সৈতে বৈঠকত অধ্যক্ষতা কৰে। এই উপলক্ষে ৰাজীৱ কুমাৰে মুক্ত, নিকা, শান্তিপূৰ্ণ আৰু প্ৰলোভনমুক্ত নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে আয়োগৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ লগতে সংশ্লিষ্ট সকলো পক্ষকে নিৰ্বাচনী প্ৰক্ৰিয়াৰ সততা বৰ্তাই ৰখাৰ বাবে আৰু সকলোকে সমান সুযোগ প্ৰদান কৰাৰ বাবে একেলগে কাম কৰিবলৈ আহ্বান জনায়। শ্ৰীকুমাৰে সকলো ভোটদাতাই যাতে নিৰ্ভয়ে ভোটদানৰ অধিকাৰ সাব্যস্ত কৰিব পাৰে তাক সুনিশ্চিত কৰিবলৈ সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলক নিৰ্দেশ দিয়ে। বৈঠকত আয়োগে  অৰুণাচল প্ৰদেশ, চত্তিশগড় আৰু মহাৰাষ্ট্ৰৰ দৰে ১১ খন দুৰ্গম ৰাজ্যলৈ নিৰ্বাচনী দল কঢ়িয়াই নিয়াৰ ক্ষেত্ৰত ভাৰতীয় বায়ু সেনা আৰু অসামৰিক বিমান পৰিবহন বিভাগে আগবঢ়োৱা সহায়ৰ পৰ্যালোচনা কৰা হয়।

০০০

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, বিজেপি কৰ্মকৰ্তাসকলৰ উৎসাহ দেখি বিৰোধী পক্ষৰ নেতাসকল  নিৰাশাত ভুগিছে। তেওঁ লগতে দলীয় কৰ্মীসকলক সকলো পুৰণি নিৰ্বাচনী অভিলেখ ভংগ কৰাৰ সংকল্পৰে কাম কৰিবলৈ আহ্বান জনায়। শ্ৰীমোদীয়ে আজি নমো এপৰ জৰিয়তে  ডিজিটীয় ৰেলীক সম্বোধন কৰি এইদৰে আহ্বান জনায়। তেওঁ কয় যে, ভোটগ্ৰহণ কেন্দ্ৰৰ কৰ্মীসকলে চৌপাশৰ ঘটনাক্ৰমক লৈ সজাগ হৈ থাকিব লাগিব কাৰণ তেওঁলোকে বিজেপি পৰিচয়স্বৰূপ। প্ৰধানমন্ত্ৰীয়ে প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰত অভিলেখ বিজয় সাব্যস্ত কৰাৰ বাবে বুথ পৰ্যায়ৰ উচিত প্ৰস্তুতি গ্ৰহণ কৰিবলৈ আহ্বান জনায়। উত্তৰ প্ৰদেশত তৃতীয় পৰ্যায়ত ভোটগ্ৰহণ হ'বলগীয়া চম্ভল, বদায়ুঁ, বৰেলী, আৱলা, এটা, হাথৰছ, আগ্ৰা, ফতেহপুৰ চিক্ৰী, ফিৰোজাবাদ, আৰু মেইনপুৰী সংসদীয় সমষ্টিৰ কৰ্মীসকলে এই ডিজিটীয় ৰেলীত অংশগ্ৰহণ কৰে। শ্ৰীমোদীয়ে কয় যে বিগত ১০ বছৰত উত্তৰ প্ৰদেশৰ  বিজেপি কৰ্মকৰ্তাসকলে দেশৰ ৰাজনৈতিক বিশেষজ্ঞসকলক ভুল প্ৰতিপন্ন কৰিছে। তেওঁ কয় যে লোকসভা আৰু বিধানসভা নিৰ্বাচনত বিজেপি কৰ্মীসকলে কঠোৰ পৰিশ্ৰমৰ নতুন অভিলেখ গঢ়িছে।

০০০

বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী ৰাজনাথ সিঙে কৈছে যে, ভাৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত বিশ্বৰ পঞ্চম সৰ্ববৃহৎ অৰ্থব্যৱস্থাসমূহৰ অন্যতমৰূপে পৰিগণিত হৈছে আৰু ২০২৭ চনৰ ভিতৰত বিশ্বৰ তৃতীয় সৰ্ববৃহৎ অৰ্থব্যৱস্থা হিচাপে পৰিগণিত হবলৈ ওলাইছে। গাজিয়াবাদত আজি এখন নিৰ্বাচনী সভাত ভাষণ দি শ্ৰীসিঙে এইদৰে প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে কয় যে, ভাৰত ২০৪৭ চনলৈ বিশ্বৰ সৰ্ববৃহৎ অৰ্থব্যৱস্থা  হোৱাৰ পূৰ্ণ সম্ভাৱনা আছে। বিজেপি দেশক এই দিশত আগুৱাই লৈ যাবলৈ বদ্ধপৰিকৰ বুলি তেও মন্তব্য কৰে। শ্ৰীসিঙে কয় যে, বিগত ৯ বছৰত ২৫ কোটি লোক দৰিদ্ৰতাৰ পৰা মুক্ত হৈছে। ইফালে গৌতম বুদ্ধ নগৰৰ পৰা বিজেপি প্ৰাৰ্থী মহেশ শৰ্মাই আজি লোকসভা নিৰ্বাচনৰ বাবে মনোনয়নপত্ৰ দাখিল কৰে।

০০০

চৰকাৰে একাংশ সংবাদ মাধ্যমযোগে ঔষধৰ মূল্য ভালেখিনি বৃদ্ধি পোৱা বুলি প্ৰচাৰিত বাতৰি ভূৱা আৰু বিভ্ৰান্তিকৰ বুলি অভিহিত কৰিছে।  কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰালয়ে কৈছে যে, এই বাতৰিসমূহত ৫শ বিধৰো অধিক ঔষধৰ ক্ষেত্ৰত মূল্য বৃদ্ধিৰ প্ৰভাৱ পৰিব বুলি  দাবী কৰা হৈছে যদিও প্ৰকৃততে এই বাতৰিসমূহ ভূৱা-বিভ্ৰান্তিকৰ আৰু অসূয়াপূৰ্ণ। ভেষজ বিভাগৰ অধীনৰ ৰাষ্ট্ৰীয় ভেষজ মূল্য নিৰ্ধাৰণ প্ৰাধিকৰণে প্ৰতি বছৰে পাইকাৰী মূল্য সূচ্যাংকৰ

ভিত্তিত  ঔষধৰ সৰ্বোচ্চ মূল্যৰ সাল-সলনি কৰে। মন্ত্ৰালয়ে কৈছে যে, ৭৮২ বিধ ঔষধৰ বৰ্তমানৰ সৰ্বোচ্চ মূল্যত কোনো ধৰণৰ সাল সলনি কৰা হোৱা নাই, মাত্ৰ ৫৪ বিধ ঔষধৰ মূল্যহে এক পইচাকৈ বৃদ্ধি পাইছে।

০০০

গ্ৰীষ্মকালত গৰমৰ প্ৰকোপৰ পৰা হব পৰা ৰোগৰ ব্যৱস্থাপনাৰ প্ৰস্তুতিৰ পৰ্যালোচনা চলোৱাৰ উদ্দেশ্যে কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী ডং মনসুখ মন্দাভিয়াৰ অধ্যক্ষতাত আজি এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত কেন্দ্ৰীয় স্বাস্থ্য সচিব অপূৰ্ব চন্দ্ৰা, নীতি আয়োগৰ সদস্য ডাঃ ভি কে পাল, ভাৰতীয় বতৰ বিজ্ঞান বিভাগৰ সঞ্চালক প্ৰধান এম মহাপাত্ৰ, ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ সদস্য কমল কিশোৰ, ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানৰ সঞ্চালক আৰু অন্য জ্যেষ্ঠ বিষয়াসকলে বৈঠকত অংশগ্ৰহণ কৰে। পাছত নতুন দিল্লীত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা বতৰাত ডং মনসুখ মন্দাভিয়াই কয় যে, গ্ৰীষ্ম প্ৰৱাহ আৰু ষ্ট্ৰোকৰ পৰা ৰক্ষা পৰাৰ বাবে কৃষক, নিৰ্মাণকাৰ্যত নিয়োজিত শ্ৰমিক আৰু নিৰ্বাচনী কাম-কাজত নিয়োজিত  তথা প্ৰচাৰ অভিযানত জড়িত ব্যক্তিসকলক পৰ্যাপ্ত পৰিমাণে পানী গ্ৰহণ কৰিবলৈ পৰামৰ্শ আগবঢ়োৱা হৈছে। মন্ত্ৰীগৰাকীয়ে কয় যে তেওঁলোকে দেহত পানীৰ মাত্ৰা বৰ্তাই ৰখাৰ বাবে ফলৰ ৰস, নেমুৰ ৰস আৰু বতৰৰ ফলো গ্ৰহণ কৰিব পাৰে। তেওঁ লগতে কয় যে, ৰাজ্যসমূহক এলানি পৰামৰ্শযোগে আয়ুষ্মান আৰোগ্য মন্দিৰসমূহত গৰমৰ পৰা হ'ব পৰা ৰোগৰ চিকিৎসাৰ বাবে সঠিক ব্যৱস্থা কৰিবলৈ কোৱা হৈছে।

০০০

দিল্লীৰ এখন আদালতে আম আদমী পাৰ্টিৰ নেতা সঞ্জয় সিঙক আৱকাৰী নীতি কেলেংকাৰী গোচৰত সাক্ষ্য প্ৰমাণ বিনষ্ট অথবা সাক্ষী সকলক প্ৰভাৱিত নকৰিবলৈ নিৰ্দেশ দিছে। বিশেষ ন্যায়াধীশ কাৱেৰী বৱেজাই আজি তিহাৰ কেন্দ্ৰীয় কাৰাগাৰৰ পৰা তেওঁক মুকলি কৰাৰ নিৰ্দেশ দিয়াৰ পূৰ্বে এইদৰে নিৰ্দেশ দিয়ে। উচ্চতম ন্যায়ালয়ে কালি সঞ্জয় সিঙৰ জামিন মঞ্জুৰ কৰিছে। যোৱা বছৰ অক্টোবৰত তেওঁক গ্ৰেপ্তাৰ কৰা হৈছিল।

ন্যায়াধীশ বৱেজাই লগতে ৰাজ্যসভাৰ সাংসদগৰাকীক পাৰপত্ৰ জমা দিবলৈ আৰু ৰাষ্ট্ৰীয় ৰাজধানী ক্ষেত্ৰ এৰাৰ পূৰ্বে যাত্ৰাসূচী বিষয়ে অৱগত কৰিবলৈ আৰু মোবাইলৰ লোকেশ্বন সদায় অন কৰি ৰাখিবলৈ নিৰ্দেশ দিয়ে। ন্যায়াধীশগৰাকীয়ে সঞ্জয় সিঙক ২ লাখ টকাৰ ব্যক্তিগত বণ্ড আৰু সম পৰিমাণৰ আমানতৰ ধন জমা দিবলৈও নিৰ্দেশ দিয়ে।

০০০

কেন্দ্ৰীয় মন্ত্ৰী ডং এল মুৰুগনকে ধৰি ৰাজ্যসভাৰ ১১ গৰাকী নতুন সদস্যই আজি শপতগ্ৰহণ কৰে। উপৰাষ্ট্ৰপতি তথা ৰাজ্যসভাৰ সভাপতি জগদীপ ধনখড়ে সদস্যসকলক সংসদভৱনৰ তেওঁৰ নিজা কক্ষত শপতগ্ৰহণ কৰোৱায়। নতুন সদস্যকেইগৰাকী হ'ল- বিহাৰৰ প্ৰফেচৰ মনোজ ঝা, ধৰ্মাশীলা গুপ্তা, আৰু সঞ্জয় যাদৱ , হিমাচল প্ৰদেশৰ হৰ্ষ মহাজন, হাৰিয়ানাৰ সুভাষ চন্দৰ, মহাৰাষ্ট্ৰৰ চন্দ্ৰকান্ত হন্দ'ৰে আৰু মেধা কুলকৰ্ণী, কৰ্ণাটকৰ জি চি চন্দ্ৰশেখৰ, গুজৰাটৰ গোবিন্দভাই তোলকীয়া, উত্তৰ প্ৰদেশৰ সাধনা সিঙ, মধ্য প্ৰদেশৰ অশোক সিঙ, প্ৰাক্তন প্ৰধানমন্ত্ৰী ডং মনমোহন সিঙকে ধৰি ৫৬ জন সদস্যই এই সপ্তাহতে ৰাজ্যসভাৰ সাংসদ পদৰ পৰা অৱসৰ গ্ৰহণ কৰিছে।

০০০

ডেলহি কেপিটেলছ কিছুসময়ৰ পাছত বিশাখাপট্টনমৰ ডি ৱাই এছ ষ্টেডিয়ামত হ'বলগীয়া আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে যোৱানিশা বেংগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত অনুষ্ঠিত প্ৰতিযোগিতাৰ এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুক ২৮ ৰানত পৰাস্ত কৰে। ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে ১৮২ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৯ অভাৰ আৰু ৪টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৫৩ ৰানহে কৰিবলৈ সমৰ্থ হয়। ইয়াৰ পূৰ্বে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৫ উইকেটৰ বিনিময়ত ১৮১ ৰান কৰে।

০০০

ঃঃ সমাপ্ত ঃঃ